মুছলিমক গালি দিয়াটো হৈছে ফাছেকী কাম আৰু আক্ৰমণ কৰাটো হৈছে কুফৰী।

আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মুছলিমক গালি দিয়াটো হৈছে ফাছেকী কাম আৰু আক্ৰমণ কৰাটো
হৈছে কুফৰী।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোৰ দ্বাৰা এজন মুছলিমে আন এজন মুছলিমক গালি দিবলৈ নিষেধ কৰিছে। এইটো হৈছে ফাছেকী কাম, তথা এইটো হৈছে আল্লাহ আৰু তেওঁৰ ৰাছুলৰ নাফৰমানী। আনহাতে কোনো মুছলিমে কোনো মুছলিমক আক্ৰমণ কৰাটো হৈছে কুফৰী কাম। কিন্তু এইটো হৈছে সৰু কুফৰ।

http://www.sunnah.global/hadeeth/as/show/5333